# সমাজ বিদ্যা পৰিচয়

**প্ৰশ্ন ১। সমাজ বিদ্যা বুলিলে কি বুজা ?**

**উত্তৰঃ** মানৱ সমাজৰ বিভিন্ন দিশৰ পদ্ধতিগত অধ্যয়নেই হল সমাজ বিদ্যা ।

**প্ৰশ্ন ২। সমাজ বুলিলে কি বুজা ?**

**উত্তৰঃ** যেতিয়া কোনাে অঞ্চল বা ঠাইত বহুতাে মানুহ সামূহিক উদ্দেশ্যত একেলগে কাম কৰাৰ মানসিকতাৰে সমিলমিলেৰে বসবাস কৰে তেতিয়া, সেই জনসমষ্টিটোক সমাজ বুলি কোৱা হয় । কোনাে সামূহিক উদ্দেশ্য নােহাােৱাকৈ মানুহ একে ঠাইতে লগ লগাটোক সমাজ বুলিব নাােৱাৰি।

**প্ৰশ্ন ৩। সমাজ বিদ্যাক কিয় সমাজ বিজ্ঞান বুলি কোৱা হয় ?**

**উত্তৰঃ** বিজ্ঞানত বিভিন্ন বিষয়ৰ অধ্যয়নৰ বাবে কিছুমান পৰীক্ষা কৰা হয় আৰু পৰীক্ষাৰ ফলবোৰ প্ৰণালীবদ্ধভাৱে চালি – জাৰি চোৱা হয় । তাৰে ভিত্তিতে একোটা সিদ্ধান্ত গ্ৰহণ কৰা হয় । সমাজ বিদ্যাতাে সমাজত কি পৰিৱৰ্তন ঘটিল , এই পৰিৱৰ্তনৰ ফল কি হ'ল আৰু তাৰ পৰা আমি কি শিকিলে বা বুজিলোঁ এনেধৰণে পদ্ধতিগতভাৱে অধ্যয়ন কৰা হয় । সেইবাবেই ইয়াক ' সমাজ বিজ্ঞান বুলি কোৱা হয় ।

**প্ৰশ্ন ৪। সমাজ বিদ্যাৰ অধ্যয়নৰ চাৰিটা দিশ উল্লেখ কৰা ।**

**উত্তৰঃ** ( ক ) ভৌগাােলিক দিশ ।

( খ ) অৰ্থনৈতিক দিশ ।

( গ ) প্ৰশাসনিক দিশ । আৰু

( ঘ ) পাৰম্পৰিক আৰু সাংস্কৃতিক দিশ ।

**প্ৰশ্ন ৫। পৰম্পৰা বুলিলে কি বুজা ?**

**উত্তৰঃ** সমাজ এখনত পূৰ্বৰে পৰা চলি অহা নীতি – নিয়মবাােৰকে পৰম্পৰা বাােলে ।